(২৮)

**ৰাগ-বলাড্ডি। শবৰ পাদানাম**

উঞ্চা উঞ্চা পাবত তঁহি বসই সবৰীবালী।
মোৰঙ্গি পীচ্ছ পৰহিণ সবৰী গিবত গুঞ্জৰী মালী।।
উমত সবৰো পাগল শবৰো মা কৰ গুলী গুহাডা তোহৌৰী।
নিঅ ঘৰিণী ণামে সহজ সুন্দাৰী।।
ণাণা তৰুবৰ মৌলিলৰে গঅণত লাগেলি ডালী।
একেলী সবৰী এবণ হিণ্ডই কণ্ণকুণ্ডল বজ্রধাৰী।।
তিঅ ধাউ খাট পড়িলা সবৰো মহাসুহে সেজি ছাইলী।
সবৰো ভুজঙ্গ ণইৰামণি দাৰী পেহ্মা ৰাতি পোহাইলী।।
হিঅ তাঁবোলা মহাসুহেঁ কাপুৰ খাই।
সুন নিৰামণি কণ্ঠে লইআ মহাসুহে ৰাতি পোহাই।।
গুৰুবাক পুঞ্চআ বিন্ধ ণিঅমণে বাণেঁ
এক সৰসন্ধাণেঁ বিন্ধহ পৰম নিবণেঁ।।
উমত সবৰো গৰুআ ৰোসে।
গিৰিবৰ সিহৰ সন্ধি পইসন্তে সবৰো লোড়িব কইসেঁ।।

শব্দাৰ্থ—

উঞ্চা উঞ্চা = ওখ ওখ; পাবত = পৰ্বত; তঁহি = তাত; বসই = বাস কৰে; সবৰীবালী = শবৰী বালিকা; মোৰঙ্গি পীচ্ছ = ময়ুৰৰ নেজ; পৰহিণ = পৰিহিত; গিবত = গলত; গুঞ্জৰীমালী = গুঞ্জৰী ফুলৰ মালা; উমত = উন্মত্ত; মা কৰ গুলী = ভুল নকৰিবা; গুহাডা = দোহাই, গোহাৰী, নিবেদন; তোহৌৰী = তোমাক; নিঅ = নিজ; ঘৰিণী = ঘৈনী, গৃহিনী; ণাণা = বিবিধ; তৰুবৰ = সুবৃক্ষ; মৌলিলৰে = মুকলি হল; গঅণত = আকাশত; একেলী = অকলে। হিণ্ডই = বিহাৰ কৰে; তিম = তিনি; মহাসুহে = মহাসুখে; সেজি = শয্যা; পেক্ষ =প্ৰেম; হিঅ = চিত্ত; তাঁবোলা = তামোল, কাপুৰ = কৰ্পুৰ; সুন = শূণ্য; লইআ = লৈ; পোহাই = পুৱায়। গুৰুবাক = গুৰুবাক্য; পুঞ্চআ = ধনু; নিঅমণে = নিজৰ মন; গিৰিবৰ সিহৰ সন্ধি = গিৰিবৰ শিখৰসন্ধিত; পইসন্তে = প্ৰবেশ কৰি; লোড়িব = লৰিব; কইসেঁ = কেনেকৈ

অক্ষৰানুবাদ ঃ

ওখ ওখ পৰ্ব্বত, তাত শবৰী বালিকাই বাস কৰে; শবৰী ময়ুৰৰ নেজ পৰিহিত, গলত গুঞ্জৰীফুলৰ মালা। উন্মত্ত শবৰ পাগল শবৰ, তোমাৰ দোহাই ভুল নকৰিবা। তোমাৰ নিজ গৃহিণী (সেই সবৰী) নামে সহজসুন্দৰী। নানান সুবৃক্ষ (ফুলেৰে) মুকলিত হল, তাৰ ডালে আকাশ স্পৰ্শ কৰিলে, শবৰীয়ে অকলে বিহাৰ কৰে (সেই শবৰী) কৰ্ণকুণ্ডল বজ্ৰধাৰী। তিনি ধাতুৰ খাট পতা হ'ল। শবৰে মহাসুখেৰে শয্যা পাৰিলে, শবৰ ভুজঙ্গ নৈৰামণি ৰমণী, প্ৰেমেৰে ৰাতি পুৱালে। হিয়া তামোল (তাৰ লগত) মহাসুখে কৰ্পুৰ খালে, শূণ্য নৈৰামণিক গলত লৈ মহাসুখেৰে ৰাতি পুৱাল। গুৰুবাক্যক ধনু কৰি, নিজৰ মনক বাণেৰে বিন্ধ কৰা; এক শৰ সন্ধানত পৰম নিৰ্বাণক বিন্ধ কৰা। গুৰুৰ ৰোষত শবৰ উন্মত্ত; গিৰিশিখৰৰ সন্ধিত প্ৰবেশ কৰি শবৰে কেনেকৈ লৰিব।

ভাবাৰ্থ—

দেহৰূপ পৰ্ব্বতৰ উচ্চ শিখৰত মহাসুখ চক্ৰ; তাত শবৰীৰূপিনী নৈৰাত্মা দেবী বাস কৰে। নৰনাৰীৰ মিলনৰ আয়োজন হল খাট, শয্যা, তামোল কৰ্পূৰ

আদি। এইবোৰ হৈছে আচলতে উপকৰণ, আচলবস্তু হৈছে মিলন। সহজানন্দ পাবলৈ হলে চিত্তৰ বিভিন্ন বিকাৰক অৱহেলা কৰিব লাগিব; নৈৰাত্মাকেই প্ৰধান লক্ষ্য কৰি এক মন কৰিব লাগিব। চিত্তৰ বিকাৰ দূৰ কৰাৰ একমাত্ৰ উপায় হৈছে গুৰুৰ উপদেশ। যিয়ে গুৰুৰ উপদেশ আখৰে আখৰে পালন কৰে তেওঁ মহাসুখৰ আস্বাদ পাব পাৰে।